প্ৰেছ বিজ্ঞপ্তি
১৬ জানুৱাৰী, ২০১৭

**আৰ বি আইয়ে ব্ৰহ্মাৱৰ্ত কো-অপাৰেটিভ বেংক লিমিটেড, কানপুৰ, উত্তৰ প্ৰদেশক জাৰি কৰা নিৰ্দেশনা ৬ জুলাই,২০১৭লৈকে সম্প্ৰসাৰিত কৰিছে**

ভাৰতীয় ৰিজাৰ্ভ বেংকে ব্ৰহ্মাৱৰ্ত কো-অপাৰেটিভ বেংক লিমিটেড, কানপুৰক জাৰি কৰা নিৰ্দেশনা পুনৰীক্ষণ সাপেক্ষে ৭ জানুৱাৰী, ২০১৭ৰ পৰা ৬ জুলাই,২০১৭লৈকে অধিকতৰ ছমাহ অবধিৰ বাবে সম্প্ৰসাৰিত কৰিছে। বেংকিং বিনিয়ম আইন, ১৯৪৯ (এএচিএছ)ৰ ধাৰা ৩৫ ক ৰ অন্তৰ্গত বেংকটো ৭ জুলাই, ২০১৫ৰ পৰা নিৰ্দেশনাধীন হৈ আছে। ওপৰুক্ত নিৰ্দেশটোৰ সালসলনি ঘটাই ইয়াৰ বৈধতা ৬ জানুৱাৰী ২০১৭ লৈ সম্প্ৰসাৰিত কৰা হৈছিল। ৩০ ডিচেম্বৰ, ২০১৬ দিনাংকৰ নিৰ্দশটোযোগে, সেইটোকে ৬ জুলাই ২০১৭লৈকে অধিকতৰ সম্প্ৰসাৰিত কৰা হৈছে। দিনাংক ৩০ ডিচেম্বৰ, ২০১৬ৰ নিৰ্দেশটোৰ এটা প্ৰতিলিপি ৰাইজে পঢ়ি চাব পৰাকৈ বেংকটোৰ চৌহদত প্ৰদৰ্শিত হৈছে।

ৰিজাৰ্ভ বেংকৰ দ্বাৰা নিৰ্দেশটোৰ সালসলনিক আপাতঃদৃষ্টিত বেংকটোৰ বিত্তীয় অৱস্থাৰ উন্নতি বা অৱনতি সূচোৱা বুলি ধৰি ল’ব নালাগে। পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি বেংকে নিৰ্দেশটোৰ সালসলনি ঘটোৱাটো বিবেচনা কৰিব পাৰে।

**অজিত প্ৰসাদ**
সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তিঃ ২০১৬-২০১৭/১৮৯৮**